# কটন বিশ্ববিদ্যালয়ত সাহিত্য অকাডেমিৰ সহযোগত পূৰ্বাঞ্চলীয় কবি সন্মিলন



'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৩০ এপ্ৰিল ঃ কটনিয়ানৰ বছৰজোৰা শতবৰ্ষ উদযাপন কাৰ্যসূচীৰ অংশস্বৰূপে ২৯এপ্ৰিলত কটন বিশ্ববিদ্যালয়ৰ সুদমাৰ্চন হলত সাহিত্য অকাডেমি আৰু কটন বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত কবিতা উৎসৱ তথা পূৰ্বাঞ্চলীয় কবি সন্মিলন সফলতাৰে অনুষ্ঠিত হয়। অসমীয়া, ইংৰাজী, উড়িয়া, ককবৰক, কাৰ্বি, খাছী, ডিমাছা, তিৱা, নেপালী, বড়ো, বাংলা, মণিপুৰী, মিচিং, মৈথিলী, ৰাভা, চাওঁতালী, হিন্দী আদি ভাষাৰ কবিসকলৰ সমাগমেৰে অনুষ্ঠিত হোৱা এই কবি সন্মিলন বাহিৰ্দ অতিথিৰ কৰণীতেৰে আৰম্ভ হয়। এইকবি সন্মিলনখন উদ্বোধন কৰে প্ৰখ্যাত কবি অনিল কুমাৰ বড়োৱে। উদ্বোধনী সত্ৰত সভাপতিত্ব কৰা সাহিত্য অকাডেমিৰ সভাপতি মাধৱ কৌশিকে তেওঁৰ ভাষণত কবিসকলক 'মানৱতাবাদৰ বাৰ্তাদূত' বুলি অভিহিত কৰে। তেওঁ লগতে সকলো ভাষা আৰু উপ-ভাষাৰ মৌখিক সাহিত্য সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। উদ্বোধনী সত্ৰত আদৰণি ভাষণ প্ৰদান কৰে ক্ৰমে কটন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক দিগন্ত কুমাৰ দাস আৰু সাহিত্য অকাডেমিৰ সচিব কে শ্ৰীনিৱাসৰাওয়ে। কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° ৰমেশ চন্দ্ৰ ডেকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক দিগন্তবিশ্ব শৰ্মাকে প্ৰমুখ্য কবি বহু গণ্য-মান্য সাহিত্যিক আৰু কবিসকলে অংশগ্ৰহণ কৰে। দুটা সত্ৰত অনুষ্ঠিত হোৱা কবি সন্মিলনখন সঞ্চালনা কৰে ক্ৰমে নন্দ সাপকটা আৰু অৰেন বড়োৱে। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে কটন বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক জিতুমণি বসুমতাৰীয়ে আৰু 'কটনিয়ান'ৰ সম্পাদক অংকুৰজ্যোতি শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত হিন্দী ভাষাৰ প্ৰখ্যাত কবি, সাহিত্যিক, অনুবাদক মাধৱ কৌশিক দেৱৰ দুখন কাব্য গ্ৰন্থ 'ভন বাৰিকাৰ (যশ পাব্লিকেশ্যনচ, দিল্লী) আৰু 'বেডেল মাৰ্চৰ (এন এল পাব্লিকেশ্যনচ, পাণবজাৰ, গুৱাহাটী) অসমীয়া ভাষালৈ কৰবী লস্কৰ কৰাই কৰা অনুবাদ গ্ৰন্থ কটন বিশ্ববিদ্যালয়ৰ সুদমাৰ্চন হলত শনিবাৰে উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত সাহিত্য অকাডেমি আৰু কটন বিশ্ববিদ্যালয়ৰ যুটীয়া সাহিত্য অকাডেমিৰ সভাপতি মাধৱ কৌশিক দেৱ, সচিব ড° শ্ৰীনিৱাস ৰাও, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা, সুৰক্ষা দিগন্তবিশ্ব শৰ্মা, সাহিত্যিক অৰেন চন্দ্ৰ বড়ো, ৰাজেন তহুজাম্বা, ডাঃ দেৱেন্দ্ৰ কুমাৰ দেৱেশ, প্ৰফেচাৰ গণেশ চন্দ্ৰ ৰাৱী, প্ৰফেচাৰ দিগন্ত কুমাৰ দাস, প্ৰফেচাৰ অনিল বড়োকে ধৰি বিভিন্ন ৰাজ্যৰ পৰা অহা বহু গণ্যমান্য কবি, সাহিত্যিকৰ উপস্থিতিৰে এইঅনুষ্ঠানৰ শোভাবৰ্দ্ধন কৰে।